নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া চালাত আদায় কৰিছিল তেতিয়া তেখেতে দুয়ো বাহু ইমানখিনি প্ৰসাৰিত কৰিছিল যে, তেখেতৰ কাষলতিৰ শুভ্ৰতা দেখা গৈছিল।

আব্দুল্লাহ বিন মালিক ইবনে বুহাইনাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া চালাত আদায় কৰিছিল তেতিয়া তেখেতে দুয়ো বাহু ইমানখিনি প্ৰসাৰিত কৰিছিল যে, তেখেতৰ কাষলতিৰ শুভ্ৰতা দেখা গৈছিল।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

অৰ্থাৎ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া ছাজদাহ কৰিছিল তেতিয়া তেখেতে দুয়ো বাহু প্ৰসাৰিত কৰি ৰাখিছিল। প্ৰতিটো বাহু কাষৰ পৰা দূৰৈত ৰাখিছিল। আনকি কাষলতিৰ শুভ্ৰতা দেখা গৈছিল। কাষলতিৰ পৰা দুয়ো বাহুক আঁতৰাই ৰখাৰ ক্ষেত্ৰত এই হাদীটোত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে।

http://www.sunnah.global/hadeeth/as/show/3220